# নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত
পিএইচ. ডি ডিগ্ৰীৰ বাবে দাখিল কৰা গৱেষণা গ্ৰন্থ

মৌচুমী বৰুৱা
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও, অসম
২০২০ বৰ্ষ

# Nandantattwar Adharot Srimanta Sankaradevar Kavya Bichar

**Thesis submitted in partial fulfilment of the requirements for the award of the Degree of Doctor of Philosophy (Ph.D.)**

**Mausumi Boruah**
**Registration No : MSSV - 0016 - 005 - 00201**
**Dept. of Assamese**
**2020**

# উপসংহাৰ

# উপসংহাৰ

'নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শংকৰদেৱৰ কাব্য বিচাৰ' বিষয়ক গৱেষণাৰ অধ্যয়নৰ অন্তত দেখা যায় যে প্ৰাচ্য আৰু পাশ্চাত্য দুটা দিশৰ পৰা আলোচিত নন্দনতত্ত্বক কলাৰ দৰ্শন হিচাপে, সৌন্দৰ্যৰ অধ্যয়নৰ বিজ্ঞান হিচাপে আলোচনা কৰিব পাৰি আৰু শংকৰদেৱৰ বাক্যসমূহক এই আধাৰত বিচাৰ কৰি চাব পাৰি। এই বিচাৰৰ বিশেষ প্ৰয়োজনো অনুভৱ কৰা যায়। নন্দনতত্ত্বৰ আধাৰত শংকৰদেৱৰ কাব্য বিচাৰ এটা গভীৰ আৰু ব্যাপক বিষয়। অসমৰ শংকৰদেৱ বিশ্বৰ প্ৰেক্ষাপটতে অদ্বিতীয় বহুগুণী পুৰুষ। ধৰ্ম আৰু সাহিত্যৰ দুয়োটা ক্ষেত্ৰত অসমীয়া জাতীয় জীৱনক নতুন গতি আৰু মাত্ৰা প্ৰদান কৰা শংকৰদেৱৰ প্ৰতিভা আছিল বহুমাত্ৰিক। সেয়ে শংকৰদেৱক ধৰ্মপ্ৰচাৰকৰ সমান্তৰালকৈ সাহিত্যিক হিচাপেও অধ্যয়ন কৰিব লাগে। কিয়নো শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আৰু সাহিত্য চৰ্চাক পৰস্পৰ পৰিপূৰক হিচাপে গণ্য কৰিছিল। সাহিত্যিক শংকৰদেৱৰ অতুল্য কবি প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে তেওঁৰ কাব্যসমূহে। পুৰাণ, ভাগৱত, হৰিবংশ আধাৰিত হ'লেও শংকৰদেৱৰ কাব্যত এনে কিছুমান গুণ আছিল যাৰ বাবে প্ৰাচ্য-পাশ্চাত্যৰ নন্দনতত্ত্বৰ বিভিন্ন তুলাচনীত শংকৰদেৱৰ কাব্যসমূহ অনায়াসে উত্তীৰ্ণ হোৱা দেখা যায়।

প্ৰথম অধ্যায়ৰ শংকৰদেৱৰ জীৱন আৰু সাহিত্যকৃতিৰ আলোচনা প্ৰসঙ্গত দেখা যায় যে শংকৰদেৱে সমাজৰ জটিল সন্ধিক্ষণত সাহিত্য চৰ্চা কৰিছিল। সংঘাতেৰে ভৰা অস্থিৰ সময়ত নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰচাৰ কৰা শংকৰদেৱৰ বাবে প্ৰত্যাহ্বানেৰে ভৰা হ'লেও সকলো প্ৰতিকূলতাক প্ৰতিহত কৰি শংকৰদেৱে সাহিত্য চৰ্চা কৰিছিল। ভাগৱত, পুৰাণ, হৰিবংশ চিত্ৰিত কৃষ্ণক কেন্দ্ৰ কৰি ভক্তি ৰসৰ প্ৰকাশেৰে শংকৰদেৱে কাব্য সমূহ ৰচনা কৰিছিল। সাহিত্যসমূহৰ মূল উদ্দেশ্য আছিল ভক্তি ধৰ্মৰ প্ৰচাৰ, কিন্তু এইবোৰ আছিল উদ্দেশ্যধৰ্মী হ'লেও ৰসোত্তীৰ্ণ সাহিত্য। শংকৰদেৱৰ সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্যৰ প্ৰসঙ্গত শংকৰদেৱৰ নাট আৰু বৰগীতত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ, ভণিতাৰ ব্যৱহাৰ, লোকজীৱনৰ প্ৰকাশ আদি দিশবোৰ উন্মোচিত হয়।

শংকৰদেৱৰ জীৱন আৰু পাৰিবাৰিক দিশৰ আলোচনাত শংকৰদেৱৰ জন্মৰ সময়কলৈ পণ্ডিতসকলৰ

মাজত মতভিন্নতা থকা দেখা গ'লেও মৃত্যুৰ সময় (১৫৬৯ চন সম্পৰ্কে) কোনো ধৰণৰ বিৰ্তক দেখা নাযায়। মাধৱদেৱৰ সৈতে 'মনিকাঞ্চন সংযোগ' শঙ্কৰদেৱৰ জীৱনত যুগান্তকাৰী ঘটনা হিচাপে পৰিগণিত হৈছিল।

দ্বিতীয় অধ্যায়ৰ নন্দনতত্ত্বৰ পৰিচয় আৰু পাশ্চাত্য নন্দনতাত্ত্বিকৰ দৃষ্টিভংগীৰ আধাৰত শঙ্কৰদেৱৰ কাব্যৰ আলোচনাত দেখা যায় যে গ্ৰীক শব্দ aesthotikos ৰ পৰা aesthetics শব্দৰ উৎপত্তি হৈছে। প্লেটোৰ পৰা কলাৰ দৰ্শন ৰূপে নন্দনতত্ত্বৰ সূচনা, সৌন্দৰ্যৰ স্বৰূপ বিশ্লেষণেই নন্দনতত্ত্ব, সৌন্দৰ্য ভোক্তাৰ ওপৰত নিৰ্ভৰশীল মানসিক সন্তুষ্টি, সৌন্দৰ্যৰ লগত আনন্দ আৰু ৰসৰ নিকট সম্পৰ্ক, প্ৰাচ্য-পাশ্চাত্য নন্দনতত্ত্বৰ পাৰ্থক্য আৰু পাশ্চাত্যৰ গ্ৰীক, ৰোমান, জামাৰ্ন, ইংৰাজ দাৰ্শনিকৰ (প্ৰতিনিধিত্বমূলক) নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ আধাৰত শঙ্কৰদেৱৰ কাব্যৰ বিশ্লেষণৰ প্ৰসঙ্গত দেখা যায় - পাশ্চাত্যৰ সকলো নন্দনতাত্ত্বিকৰ দৃষ্টিভঙ্গীক সম্পূৰ্ণকৈ প্ৰতিফলিত নকৰিলেও শঙ্কৰদেৱৰ কাব্যসমূহ তেওঁলোকৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ আধাৰত বিচাৰ কৰিব পাৰি। প্লেটোৰ অঙ্গ সংস্থাপনৰ সুসামঞ্জস্য, হোৰেছৰ আনন্দৰ লগতে শিক্ষাদান, লঙ্গিনাছৰ উদাত্ততা, প্লটিনাছৰ কাব্যৰ আনন্দ আধ্যাত্মিক আনন্দ, কাণ্টৰ সৌন্দৰ্য আৰু আনন্দ সম্পৰ্কীয় চিন্তাৰ সৈতে সামঞ্জস্য, লগতে ইংৰাজ কবিসকলৰ শ্যেলীৰ 'কবিতা হ'ল সাঙ্গীতিক চিন্তা', অডেনৰ 'কবিতা হ'ল স্মৰণীয় উক্তি', কলেৰিজৰ 'উৎকৃষ্ট শব্দৰ সুবিন্যস্ত বিন্যাসেই কবিতা' আদি ধাৰণাৰ সৈতে শঙ্কৰদেৱৰ কাব্যসমূহৰ সাদৃশ্য থকা দেখা যায়।

তৃতীয় অধ্যায়ত প্ৰাচ্য আলংকাৰিকৰ নন্দনতত্ত্ব সম্পৰ্কীয় চিন্তাৰ প্ৰকাশ শঙ্কৰদেৱৰ কাব্যত কেনেদৰে ঘটিছে তাৰ বিষয়ে আলোচনাত দেখা যায় যে আলংকাৰিকসকলৰ মতৰ লগত সম্পৰ্কযুক্ত শঙ্কৰদেৱৰ কাব্যৰ পদৰ উদাহৰণ দাঙি ধৰিব পাৰি। শঙ্কৰদেৱৰ কাব্যত ৰসৰ প্ৰয়োগ আৰু সৌন্দৰ্য, শঙ্কৰদেৱৰ কাব্যত অলংকাৰৰ প্ৰয়োগ আৰু সৌন্দৰ্য, ছন্দৰ সৌন্দৰ্য, বক্ৰোক্তি, ধ্বনি, চিত্ৰকল্প আদিৰ সুন্দৰ প্ৰকাশেৰে সৌন্দৰ্য সৃষ্টি কৰা দেখা যায়।

চতুৰ্থ অধ্যায়ত শঙ্কৰদেৱৰ কাব্যৰ নন্দনতত্ত্বৰ অন্যান্য বিভিন্ন দিশৰ আলোচনাৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ কাব্যত লোক সাংস্কৃতিক সমলৰ বৈভৱ আৰু সৌন্দৰ্য দিশত গভীৰ ভাৱে আলোচনা কৰাৰ অন্তত দেখা যায় যে কাহিনী, চৰিত্ৰ, লোকভাষা, অলংকাৰ, আভুষণ, লোকবিশ্বাস, পৰিয়াল সংৰচনাৰ প্ৰকাশেৰে অসমীয়াৰ লোকজীৱনৰ ছবি সুন্দৰকৈ অংকন কৰা দেখা যায়। ইয়াৰ বাহিৰেও

কবিসত্বাৰ সচেতন প্ৰকাশ, বৰ্ণনাৰ সৌন্দৰ্য, নাৰী চৰিত্ৰ নিৰ্মাণৰ সৌন্দৰ্য, নগৰৰ বৰ্ণনা, যুদ্ধৰ বৰ্ণনা, প্ৰকৃতিৰ বৰ্ণনা, চৰিত্ৰৰ শাৰীৰিক ৰূপৰ বৰ্ণনা, শব্দ আৰু ভাষাৰ বৰ্ণনা, বৰ্ণনাৰ স্বচ্ছন্দতাৰ সৌন্দৰ্যৰে শঙ্কৰদেৱৰ কাব্যসমূহ উপচি আছে। ইয়াৰ বাহিৰেও আধুনিক কবিতাৰ দৰে চিত্ৰকল্পৰ প্ৰয়োগ, জীৱনমুখী দৃষ্টিভংগীৰ বৰ্ণনাৰ সৌন্দৰ্যৰে শঙ্কৰদেৱৰ কাব্যসমূহ সমুজ্জ্বল হৈ আছে। আনকি শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত বিস্ময়কৰ ভাৱে সঁচা কথাটো হ'ল প্ৰাচ্যৰ আলংকাৰিকৰ নন্দনতত্ত্বৰ ধাৰণাৰ আধাৰৰ দৰে পাশ্চাত্য দাৰ্শনিক, সমালোচকৰ নন্দনতত্ত্ব সম্পৰ্কীয় ধাৰণাৰ আধাৰতো শঙ্কৰদেৱৰ কাব্য সমূহ আলোচনা কৰিব পাৰি। নন্দনতত্ত্বৰ প্ৰকাশ আৰু প্ৰচাৰ শঙ্কৰদেৱৰ কাব্যৰ লক্ষ্য নাছিল। সময়, ভূগোল আৰু ভাষিক দূৰত্বই শঙ্কৰদেৱক স্বাভাৱিকতে নন্দনতত্ত্বৰ তাত্ত্বিক চিন্তাৰ পৰা নিলগাই ৰাখিছিল। তথাপি নন্দনতাত্ত্বিক সৌন্দৰ্যৰ ক্ষেত্ৰত ভাৰতৰ পটভূমিত, বিশ্বৰ প্ৰেক্ষাপটত শঙ্কৰদেৱ একক আৰু অনন্য হৈ জিলিকি আছে আৰু ভৱিষ্যতেও জিলিকি থাকিব।

## ৫.১.০ সিদ্ধান্তসমূহ ঃ

'নন্দনতত্ত্বৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ' শীৰ্ষক অধ্যয়নৰ অন্তত এইকেইটা সিদ্ধান্তত উপনীত হ'ব পৰা যায় -

- নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰচাৰৰ উদ্দেশ্য থাকিলেও শঙ্কৰদেৱৰ কাব্যসমূহ অন্য ধৰ্মৰ বা সাধাৰণ পাঠক, শ্ৰোতাৰ বাবেও আকৰ্ষণীয়। বিষয়ৰ সাৰ্বজনীনতা, চৰিত্ৰৰ মানৱীয়তা, ভাষিক সৰলতাৰ বাবে শঙ্কৰদেৱৰ কাব্যসমূহ সকলো শ্ৰেণীৰ পাঠকৰ বাবে আগ্ৰহৰ বিষয়। তাৰ মূলতে আছে এইবোৰৰ নান্দনিক সৌন্দৰ্য।

- শঙ্কৰদেৱৰ কাব্যৰ প্ৰসঙ্গত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল শঙ্কৰদেৱৰ কাব্যসমূহ যদি উদ্দেশ্য ধৰ্মিতাক আঁতৰাই ৰাখি কলাকৈৱল্যবাদীৰ যুক্তিৰ আধাৰতো বিশ্লেষণ কৰা হয় তেতিয়াও শঙ্কৰদেৱৰ কাব্যৰ শ্ৰেষ্ঠত্ব অটুট থাকে।

- শঙ্কৰদেৱে কাব্যৰ মাজেদি অসমীয়া লোকমন, লোকজীৱনক প্ৰতিফলিত কৰি বিশেষ সৌন্দৰ্য সৃষ্টি কৰিছিল। ধৰ্মৰ দৰে এটা অমূৰ্ত্ত অৱধাৰণাক পাঠক শ্ৰোতাৰ সহজবোধ্য হ'বৰ বাবে কাব্যত বিষয়, ভাৱ, ৰূপ, ৰসৰ দ্বাৰা বিশেষ আকৰ্ষণীয় পৰিৱেশৰ সৃষ্টি কৰিছিল।

● ভাগৱত, পুৰাণ আধাৰিত বিষয়বস্তু হ'লেও শঙ্কৰদেৱে পাঠক শ্ৰোতালৈ লক্ষ্য ৰাখি কাব্যক অসমীয়াকৰণ (স্থানীয় ৰহণ) দিছিল যাৰ বাবে শঙ্কৰদেৱৰ কাব্যসমূহৰ সৈতে পাঠকে 'আত্মীয়তা' অনুভৱ কৰিছিল। এনে ধাৰণাই একপ্ৰকাৰ সৌন্দৰ্যময় অনুভূতিৰ সৃষ্টি কৰে।

● শঙ্কৰদেৱৰ কাব্যসমূহ প্ৰায় ছশবছৰ আগতে ৰচিত হ'লেও আজিৰ প্ৰজন্মইও শঙ্কৰদেৱৰ কাব্যত স্বাদ বিচাৰি পায়। পুৰুষ পুৰুষ ধৰি পাঠকৰ মাজত আকৰ্ষণীয়তা বৰ্ত্তাই ৰখাৰ অন্তৰালত শঙ্কৰদেৱৰ কাব্যৰ চিৰকালীনতা বা সমসাময়িকতাকে কাৰক হিচাপে অভিহিত কৰিব পাৰি। এই গুণ নন্দনতাত্ত্বিক ভাৱধাৰাৰ ভিতৰুৱা

● শঙ্কৰদেৱৰ কাব্যৰ শব্দ আৰু অৰ্থ সৌন্দৰ্যই আনি দিয়া মধুৰতাৰ বাবে ইবিলাক পাঠকৰ বাবে সহজে বোধগম্য আৰু স্মৰণযোগ্য হৈ পৰিছিল।

● জীৱনমুখী দৃষ্টিভংগীৰ বাবেও শঙ্কৰদেৱৰ কাব্যসমূহক আধুনিক কাব্য হিচাপে আলোচনা কৰিব পাৰি। ইহলোকৰ বৰ্ণনাৰ পাৰলৌকিক সুখৰ সন্ধান দিব বিচৰা শঙ্কৰদেৱৰ কাব্যত চৰিত্ৰৰ দৃষ্টিভংগী জীৱনমুখী, ই এক প্ৰকাৰ বিৰল সৌন্দৰ্যৰ সৃষ্টিকাৰক।

● কাব্যসমূহৰ বিষয়ৰ অনিৰ্বচনীয়তা, চৰিত্ৰৰ সাৰ্বজনীনতা তথা বক্তব্যৰ স্পষ্টতা, সৰলতা তথা কলাগুণ সম্পন্নতাই শঙ্কৰদেৱৰ কাব্যসমূহক বিশ্বজনীন আবেদন আনি দিছে। বিষয়ৰ দৰে আঙ্গিকৰ ক্ষেত্ৰতো শঙ্কৰদেৱৰ কাব্য বিশ্বৰ প্ৰেক্ষাপটত জিলিকি ৰয়। এই সকলোৰে মূলতে আছে ৰচনাৰ নান্দনিক সৌন্দৰ্য।

## ৫.২.০ ভৱিষ্যত অধ্যয়নৰ সম্ভাৱনীয়তা ঃ

"নন্দনতত্ত্বৰ আধাৰত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাব্য বিচাৰ"ৰ লগত সংগতি ৰাখি শঙ্কৰদেৱৰ কাব্যৰ এই কেইটা দিশত অধিক অধ্যয়নৰ সম্ভাৱনীয়তা আছে -

● প্ৰাচ্য অলংকাৰশাস্ত্ৰৰ আধাৰত শঙ্কৰদেৱৰ কাব্য বিচাৰ ঃ শঙ্কৰদেৱৰ কাব্যসমূহত ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ বিভিন্ন দিশৰ সুষম প্ৰয়োগ দেখা যায়। শঙ্কৰদেৱৰ কাব্যত অলংকাৰে সৌন্দৰ্য বৃদ্ধি কৰিছে। সেয়ে কেৱল শঙ্কৰদেৱৰ কাব্যত শব্দালংকাৰ, অৰ্থালংকাৰ তথা ভাৰতীয় অলংকাৰিকৰ বিভিন্ন দিশৰ সম্পৰ্কেও গৱেষণামূলক অধ্যয়ন সম্ভৱ হ'ব পাৰে।

● পাশ্চাত্য দাৰ্শনিকৰ চিন্তাৰ আলমত শঙ্কৰদেৱৰ কাব্য বিচাৰ ঃ পাশ্চাত্য দাৰ্শনিকৰ চিন্তাৰ আধাৰত শঙ্কৰদেৱৰ সাহিত্যৰ গৱেষণামূলক অধ্যয়নে শঙ্কৰদেৱৰ সাহিত্যৰ নতুন দিশ উন্মোচন কৰিব বুলি পাৰি।

● শঙ্কৰদেৱৰ কাব্যত অসমৰ লোকজীৱনৰ প্ৰকাশ ঃ অসমৰ পটভূমিত অসমীয়া পাঠক, দৰ্শক, শ্ৰোতাক লৈ ৰচনা কৰা শঙ্কৰদেৱৰ কাব্যই অসমীয়া লোকমন, লোকজীৱনক প্ৰকাশ কৰা দেখা যায়। সেয়ে শঙ্কৰদেৱৰ কাব্যত লোকজীৱনৰ প্ৰকাশ সম্পৰ্কেও ভৱিষ্যতৰ অধিক অধ্যয়নৰ থল আছে বুলিব পাৰি।

● শঙ্কৰদেৱৰ কাব্যৰ তুলনামূলক অধ্যয়ন ঃ শঙ্কৰদেৱৰ সাহিত্যৰ লগত তেওঁৰ সমসাময়িক বা সাম্প্ৰতিক কালৰ সাহিত্যৰ তুলনামূলক অধ্যয়নে নতুন দিশৰ উন্মোচন কৰাৰ লগতে শঙ্কৰদেৱৰ সাহিত্যৰ প্ৰতিষ্ঠা আৰু মূল্যায়নতো সহায়ক হ'ব বুলি আশা কৰিব পাৰি।